Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নৱম শ্ৰেণীৰ পাঠ্যপুথি

ভূগোল

পাঠ - ৩

ভাৰতবৰ্ষৰ ভূগোল

অংশ – ৫

শ্ৰাৱণী দেৱী

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জনসংখ্যাৰ বৃদ্ধি আৰু বিতৰণ

- জনসংখ্যাৰ ক্ষেত্ৰত ভাৰতৰ স্থান পৃথিৱীৰ ভিতৰতে প্ৰথম।
- ভাৰতৰ জনসংখ্যাৰ গাঁথনি লক্ষ্যণীয় কাৰণ, ইয়াত বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণ ঘটিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- মূলতঃ অষ্ট্ৰ'-এছীয়, মংগোলীয়, আৰ্য আৰু দ্ৰাবিড় জনগোষ্ঠীৰ লোকে ভাৰতবৰ্ষত প্ৰাচীন কালৰ পৰা বসবাস কৰি আহিছে।
- নানা জাতি-উপজাতি, সম্প্ৰদায়, ভাষা-সংস্কৃতি আৰু ধৰ্মৰ লোকে একেলগে বাস কৰাৰ ফলত তেওঁলোকৰ মাজত এটা সামাজিক সম্পৰ্ক গঢ় লৈ উঠিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বিভিন্ন সামাজিক গোটৰ পাৰস্পৰিক মিশ্রণৰ ফলত বিকশিত হোৱা এনে সামাজিক সম্পর্কৰ বাবেই এক বিশাল বৈচিত্র্যপূর্ণ ভাৰতীয় সমাজৰ উত্থান ঘটিছে।
- জনসংখ্যাৰ হিচাপত ভাৰত বিশ্বৰ আটাইতকৈ জনবহুল দেশ।
- ভাৰতৰ লোকাপয়ল অনুসৰি ২০১১ চনত ভাৰতৰ মুঠ জনসংখ্যা ১,২১০,৭২৬,৯৩২ জন।


Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই জনসংখ্যাই বিশ্বৰ জনসংখ্যাৰ প্ৰায় ১৭.৫% ।
- বিশ্বৰ মুঠ মাটিকালিৰ ২.৪% ভাৰতে দখল কৰিছে।
- ইয়াৰ বিপৰীতে বিশ্বৰ মুঠ মাটিকালিৰ প্ৰায় ৭.২% প্ৰতিনিধিত্ব কৰা আমেৰিকা যুক্তৰাষ্ট্ৰত বিশ্বৰ মুঠ জনসংখ্যাৰ মাত্ৰ ৪.৫%হে আছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- জনসংখ্যা পৰিৱৰ্তনশীল।
- সময়ৰ লগে লগে জনসংখ্যা বৃদ্ধি বা কমি যায়।
- ভাৰতৰ জনসংখ্যাও সলনি হৈছে।
- যোৱা ২০ শতিকাৰ আৰম্ভণিৰ পৰা বৰ্তমান শতিকাৰ ২০১১ চনলৈকে ভাৰতৰ জনসংখ্যা বহুগুণ বৃদ্ধি পাইছে।
- ১৯০১ চনত দেশৰ জনসংখ্যা আছিল ২৩.৮৪ কোটি।
- দ্রুতগতিত বৃদ্ধি পোৱা হাৰত এই জনসংখ্যা ২০১১ চনত ১২১ কোটি হৈ পৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বৃদ্ধিৰ পিছতো ১৯১১-২১ চনৰ দশকত জনসংখ্যা সামান্য হ্রাস পাইছিল।
- ১৯৩১ চনৰ পৰা পুনৰ দেশৰ জনসংখ্যা বৃদ্ধি পাবলৈ ধৰিলে।
- ১৯০১ চনৰ পৰা ১৯১১ চনলৈ মুঠ ১.৩৭ কোটি জনসংখ্যা বৃদ্ধি পালে।
- জনসংখ্যাৰ এনে দৰ্শনীয় বৃদ্ধি প্রতিটো দশকতে দেখা গৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

উদাহৰণ —

- ১৯৬১-৭১ চনৰ ভিতৰত ১০.৯০ কোটি জনসংখ্যা বৃদ্ধি পাইছিল
- ২০০১-১১ দশকত আৰু ১৮.১৫ কোটি জনসংখ্যা সংযোজন হয়।
- প্রতিটো দশকত ভাৰতৰ জনসংখ্যাৰ ক্রমান্বয়ে বৃদ্ধি হোৱাটো বৰ চিন্তাৰ বিষয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- জনসংখ্যা বৃদ্ধিয়ে জনসংখ্যাৰ ঘনত্বও বৃদ্ধি কৰিছে।
  - ১৯০১ চনত দেশৰ জনসংখ্যাৰ ঘনত্ব আছিল ৭৭ ব্যক্তি/কিলোমিটাৰ।
  - ১৯৭১ চনত ই ১৭৭ ব্যক্তি/কিলোমিটাৰ বৰ্গলৈ বৃদ্ধি পাইছে
  - ২০১১ চনত ই ৩৮২ ব্যক্তি/কিলোমিটাৰ বৰ্গলৈ বৃদ্ধি পাইছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বছৰ	জনসংখ্যা (কোটি হিচাপত)	জনসংখ্যা বৃদ্ধি (+) বা হ্রাস (-) (কোটি হিচাপত)	জনসংখ্যাৰ ঘনত্ব (জনসংখ্যা প্রতি বর্গ কিঃমিঃত)
১৯০১	২৩.৮৪	—	৭৭
১৯১১	২৫.২১	+১.৩৭	৮২
১৯২১	২৫.১৩	— ০.০৮	৮১
১৯৩১	২৭.৯০	+২.৭৭	৯০
১৯৪১	৩১.৮৭	+৩.৯৭	১০৩
১৯৫১	৩৬.১১	+৪.২৪	১১৭
১৯৬১	৪৩.৯২	+৭.৮১	১৪২
১৯৭১	৫৪.৮২	+১০.৯০	১৭৭
১৯৮১	৬৮.৩৩	+১৩.৫১	২১৬
১৯৯১	৮৪.৬৪	+১৬.৩১	২৬৭
২০০১	১০২.৮৭	+১৮.২৩	৩২৫
২০১১	১২১.০৭	+১৮.১৫	৩৮২

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতত জনসংখ্যা আতংকজনকভাৱে বৃদ্ধি পাইছে আৰু এয়া দেশৰ এক অতি গুৰুতৰ সমস্যাত পৰিণত হৈছে।
- জনসংখ্যা বৃদ্ধিৰ মূল কাৰণ —
  - জন্ম আৰু মৃত্যুৰ হাৰ
  - প্ৰব্ৰজন।
- যেতিয়া মৃত্যুৰ হাৰতকৈ জন্মৰ হাৰ বেছি হয় তেতিয়া জনসংখ্যা বৃদ্ধি পায়।
- একেদৰে দেশলৈ প্ৰব্ৰজনৰ ফলতো জনসংখ্যা বৃদ্ধি পায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতত এই ২টা কাৰণত জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে।
- ভাৰতত জনসংখ্যা বিতৰণ একে নহয়।
- কিছুমান ঠাইত বা অঞ্চলত মানুহৰ বসতি ঘন আৰু সেয়েহে জনসংখ্যা অধিক।
- আন কিছুমান ঠাইত বা অঞ্চলত মানুহৰ বসতি কম আৰু সেয়েহে জনসংখ্যা কম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ঘন মানুহৰ বসতি থকা ঠাইত জনসংখ্যাৰ ঘনত্ব অধিক হে পৰে।
- একেদৰে পাতল বসতি থকা ঠাইত জনসংখ্যাৰ ঘনত্ব কম হে পৰে।
- ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ গড় জনসংখ্যা ঘনত্ব আছিল ৩৮২ ব্যক্তি/কিলোমিটাৰ।
- অৰ্থাৎ প্ৰতি বৰ্গ কিলোমিটাৰ এলেকাত গড়ে ৩৮২ জন ব্যক্তি বাস কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- মানৱ বসতিৰ অসমান বিতৰণৰ বাবে দেশত জনসংখ্যাৰ ঘনত্বৰ তাৰতম্য দেখা যায়।
- সাধাৰণতে যিবোৰ অঞ্চলত ভৌতিক পৰিৱেশ অনুকূল নহয়, অৰ্থনৈতিক অৱস্থা আৰু পৰিবহণ ব্যৱস্থা বিকশিত নহয়, সেইবোৰ অঞ্চলত বসতিৰ ঘনত্ব কম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতৰ পশ্চিম অংশৰ ৰাজস্থানৰ শুকান মৰুভূমি অঞ্চলটো মানুহৰ বাসস্থানৰ বাবে অনুকূল নহয় আৰু সেয়েহে তাত বসতিৰ সংখ্যা কম।
- একেদৰে উত্তৰ দিশত বৰফেৰে আবৃত হিমালয় অঞ্চল আৰু দক্ষিণৰ পশ্চিম ঘাটৰ মধ্য আৰু দক্ষিণ অংশত প্রতিকূল প্রাকৃতিক অৱস্থাৰ বাবে জনসংখ্যাৰ ঘনত্ব অতি কম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কিন্তু ইয়াৰ বিপৰীতে সাৰুৱা সমতল অঞ্চলত সুচল পৰিবহণ ব্যৱস্থা আৰু কৃষি কার্যকলাপৰ বাবে জনসংখ্যাৰ ঘনত্ব অধিক।
- সেইবাবেই গংগা-ব্রহ্মপুত্র উপত্যকাকে ধৰি দেশৰ নদী উপত্যকাবোৰ প্রাকৃতিকভাৱে ঘন জনবসতিপূর্ণ।
- নদী উপত্যকাত উর্বৰ সমভূমি, উন্নত পৰিবহণ ব্যৱস্থা আৰু অর্থনৈতিক অৱস্থাৰ বাবে জীৱিকাৰ পথ সুচল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ফলত উৰ্বৰ নদী উপত্যকাত জনসংখ্যা বেছি হয় আৰু ফলস্বৰূপে জনসংখ্যাৰ ঘনত্ব বৃদ্ধি পায়।
- গ্ৰাম্য আৰু চহৰ অঞ্চলতো জনসংখ্যাৰ বিতৰণ ভিন্ন।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সাধাৰণতে গ্ৰাম্য অঞ্চলতকৈ চহৰ অঞ্চলত জনসংখ্যা বেছি।
- উন্নত পৰিবহণ, উদ্যোগীকৰণ আৰু নগৰীকৰণ প্ৰক্ৰিয়াৰে জনসাধাৰণে অধিক সুবিধা আৰু সেৱা লাভ কৰাৰ বাবে নগৰ অঞ্চলত জনসংখ্যা অধিক।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- আঞ্চলিক তাৰতম্যৰ লগতে দেশৰ ৰাজ্যসমূহত জনসংখ্যাৰ বিতৰণো ভিন্ন।
- ২০১১ চনত মুঠ ১৯,৯৮,১২,৩৪১ জনসংখ্যাৰ উত্তৰ প্ৰদেশক দেশৰ আটাইতকৈ জনবহুল ৰাজ্য হিচাপে গণ্য কৰা হৈছে।
- ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় ১৬.৪৯% ইয়াত আছে।

Under CSR Support by
ipca | Foundation


শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- উত্তৰ প্ৰদেশৰ কাষতে মহাৰাষ্ট্ৰ আৰু বিহাৰ ক্ৰমে দেশৰ ২য় আৰু ৩য় জনবহুল ৰাজ্য।
- ভাৰতৰ জনসংখ্যাৰ ০.০১% অৰ্থাৎ মাত্ৰ ৬৪,৪৭৩ জন লোকৰ সৈতে দেশৰ ভিতৰতে সৰ্বনিম্ন জনসংখ্যা থকা ৰাজ্য লক্ষদ্বীপ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- জনসংখ্যাৰ আকাৰৰ ওপৰত ভিত্তি কৰি ভাৰতৰ জনসংখ্যাৰ ২.৫৮% অর্থাৎ ৩,১২,০৫,৫৭৬ জন ব্যক্তি থকা অসমে ১৪তম স্থান দখল কৰিছে।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জনসংখ্যাৰ হিচাবত স্থান	ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চল	জনসংখ্যা	ভাৰতৰ জনসংখ্যাৰ শতাংশ
১	উত্তৰ প্রদেশ	১৯,৯৮,১২,৩৪১	১৬.৪৯
২	মহাৰাষ্ট্র	১১,২৩,৭৪,৩৩৩	৯.২৯
৩	বিহাৰ	১০,৪০,৯৯,৪৫২	৮.৫৮
৪	পশ্চিমবংগ	৯,১২,৭৬,১১৫	৭.৫৫
৫	অন্ধ্রপ্রদেশ	৮,৪৫,৮০,৭৭৭	৭.০০
৬	মধ্যপ্রদেশ	৭,২৬,২৬,৮০৯	৬.০০
৭	তামিলনাড়ু	৭,২১,৪৭,০৩০	৫.৯৬
৮	ৰাজস্থান	৬,৮৫,৪৮,৪৩৭	৫.৬৭
৯	কর্ণাটক	৬,১০,৯৫,২৯৭	৫.০৫
১০	গুজৰাট	৬,০৪,৩৯,৬৯২	৪.৯৯
১১	উৰিষ্যা	৪,১৯,৭৪,২১৮	৩.৪৭
১২	কেৰেলা	৩,৩৪,০৬,০৬১	২.৭৬

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জনসংখ্যাৰ হিচাবত স্থান	ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল	জনসংখ্যা	ভাৰতৰ জনসংখ্যাৰ শতাংশ
১৩	ঝাৰখণ্ড	৩,২৯,৮৮,১৩৪	২.৭২
১৪	অসম	৩,১২,০৫,৫৭৬	২.৫৮
১৫	পঞ্জাব	২,৭৭,৪৩,৩৩৮	২.২৯
১৬	ছত্তিশগড়	২,৫৫,৪৫,১৯৮	২.১১
১৭	হাৰিয়ানা	২,৫৩,৫১,৪৬২	২.০৯
১৮	দিল্লী	১,৬৭,৮৭,৯৪১	১.৩৮
১৯	জম্মু আৰু কাশ্মীৰ	১,২৫,৪১,৩০২	১.০৪
২০	উত্তৰাখণ্ড	১,০০,৮৬,২৯২	০.৮৪
২১	হিমাচল প্ৰদেশ	৬৮,৬৪,৬০২	০.৫৭
২২	ত্ৰিপুৰা	৩৬,৭৩,৯১৭	০.৩০
২৩	মেঘালয়	২৯,৬৬,৮৮৯	০.২৪
২৪	মণিপুৰ	২৫,৭০,৩৯০	০.২২

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জনসংখ্যাৰ হিচাবত স্থান	ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চল	জনসংখ্যা	ভাৰতৰ জনসংখ্যাৰ শতাংশ
২৫	নগালেণ্ড	১৯,৭৮,৫০২	০.১৬
২৬	গোৱা	১৪,৫৮,৫৪৫	০.১২
২৭	অৰুণাচল প্রদেশ	১৩,৮৩,৭২৭	০.১১
২৮	পণ্ডিচেৰী	১২,৪৭,৯৫৩	০.১০
২৯	মিজোৰাম	১০,৯৭,২০৬	০.০৯
৩০	চণ্ডীগড়	১০,৫৫,৪৫০	০.০৯
৩১	ছিকিম	৬,১০,৫৭৭	০.০৫
৩২	আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ	৩,৮০,৫৮১	০.০৩
৩৩	দাদ্রা আৰু নগৰ হাভেলী	৩,৪৩,৭০৯	০.০৩
৩৪	দমন আৰু ডিউ	২,৪৩,২৪৭	০.০২
৩৫	লাক্ষাদ্বীপ	৬৪,৪৭৩	০.০১

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জনপ্ৰব্ৰজন

- মানুহৰ স্থায়ী বা অস্থায়ী বাসস্থান সলনি কৰি এঠাইৰ পৰা আন ঠাইলৈ স্থানান্তৰিত কৰাক প্ৰব্ৰজন বোলা হয়।
- সাধাৰণতে সম্পদৰ দৰিদ্ৰ অঞ্চলৰ পৰা সম্পদ সমৃদ্ধ অঞ্চললৈ প্ৰব্ৰজন ঘটে।
- অৰ্থাৎ সাধাৰণতে সম্পদৰ অভাৱ হোৱা অঞ্চলৰ পৰা সম্পদৰ প্ৰচুৰ পৰিমাণে থকা অঞ্চললৈ মানুহ প্ৰব্ৰজন কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰব্ৰজন ঘটে —

- কেতিয়াবা দেশৰ ভিতৰতে এঠাইৰ পৰা আন ঠাইলৈ।
- কেতিয়াবা এখন দেশৰ পৰা আন এখন দেশলৈ।
- এখন দেশৰ ভিতৰত সংঘটিত হোৱা প্ৰব্ৰজনক আভ্যন্তৰীণ প্ৰব্ৰজন বোলা হয়;
- এখন দেশৰ পৰা আন এখন দেশলৈ সংঘটিত হোৱা প্ৰব্ৰজনক বহিঃ প্ৰব্ৰজন বোলা হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰতৰ আভ্যন্তৰীণ প্ৰব্ৰজনক ২ প্ৰকাৰত ভাগ কৰিব পাৰি —

- আন্তঃৰাজ্যিক প্ৰব্ৰজন (Inter-state migration)
- ৰাজ্যৰ আভ্যন্তৰীণ প্ৰব্ৰজন। (Intra-state migration)

- দেশৰ ৰাজ্যসমূহৰ মাজত আন্তঃৰাজ্যিক প্ৰব্ৰজন ঘটে।
- ৰাজ্যৰ ভিতৰত প্ৰব্ৰজন এখন জিলা বা অঞ্চলসমূহৰ ভিতৰত মাজত সংঘটিত হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো


- ভাৰত আৰু অন্যান্য বিদেশী দেশৰ মাজত হোৱা প্ৰব্ৰজনক বহিঃ প্ৰব্ৰজন বুলি ক'ব পাৰি।
- এই ধৰণৰ প্ৰব্ৰজনক আন্তৰ্জাতিক প্ৰব্ৰজন বুলিও কোৱা হয়।

উদাহৰণ —

- ভাৰত আৰু ইয়াৰ চুবুৰীয়া দেশৰ মাজত মানুহৰ প্ৰব্ৰজন।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



ভাৰতৰ জনপ্ৰব্ৰজনৰ প্ৰকাৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতত বা ভাৰতলৈ প্ৰব্ৰজন আদিম কালৰ পৰাই চলি আহিছে।
- অতীতৰ বিভিন্ন সময়ত মূলতঃ অষ্ট্ৰ'-এছীয়, মংগোলীয়, আৰ্য আৰু দ্ৰাবিড় জাতিৰ লোকসকলে ভাৰতলৈ প্ৰব্ৰজন কৰিছিল।
- শেহতীয়া বছৰবোৰতো দেশত বৃহৎ সংখ্যক প্ৰব্ৰজন ঘটিছে।
- ভাৰতীয় লোকপিয়লৰ তথ্য অনুসৰি জন্মস্থান অনুসৰি ১৯৬১ চনত দেশখনত প্ৰায় ১৪৪ নিযুত প্ৰব্ৰজনকাৰী আছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কিন্তু ১৯৯১ চনত এই সংখ্যা ২৩০ নিযুতলৈ বৃদ্ধি পাইছিল।
- ইয়াৰ পিছত ২০০১ চনত ভাৰতত প্ৰব্ৰজনকাৰীৰ সংখ্যা প্ৰায় ৩০৭ নিযুতলৈ বৃদ্ধি পায়।
- ১৯৯১-২০০১ চনৰ দশকত প্ৰব্ৰজনকাৰীৰ সংখ্যা বৃদ্ধি পাইছিল।
- একেদৰে জিলাৰ ভিতৰত, জিলাৰ পৰা জিলালৈ আৰু ৰাজ্যৰ পৰা ৰাজ্যলৈ প্ৰব্ৰজন কৰা প্ৰব্ৰজনকাৰীৰ সংখ্যাও বৃদ্ধি পাইছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কিন্তু, ১৯৯১- ২০০১ চনৰ ভিতৰত বিদেশী প্ৰব্ৰজনকাৰীৰ সংখ্যা কিছু হ্ৰাস পাইছিল।

কাৰণ — ভাৰতলৈ আন্তঃৰাষ্ট্ৰীয় প্ৰব্ৰজন সামান্য হ্ৰাস পাইছে আৰু বৃদ্ধাৱস্থাৰ বাবেও কিছু প্ৰব্ৰজনকাৰীৰ মৃত্যু হৈছে।

দেশৰ আভ্যন্তৰীণ প্ৰব্ৰজন ২ প্ৰকাৰৰ —

- আন্তঃৰাজ্যিক প্ৰব্ৰজন
- ৰাজ্যসমূহৰ ভিতৰত প্ৰব্ৰজন

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এই ২ প্ৰকাৰৰ প্ৰব্ৰজনৰ ক্ষেত্ৰত ৪টা প্ৰব্ৰজনৰ প্ৰবাহ স্বীকৃতি দিয়া হৈছে—

- গাঁৱৰ পৰা গাওঁলৈ
- গাঁৱৰ পৰা চহৰলৈ
- চহৰৰ পৰা গাঁৱলৈ
- চহৰৰ পৰা চহৰলৈ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ বৈষম্য, ভূমিত বৰ্ধিত হেঁচা আদি কাৰণ
- ভূমিত বৰ্ধিত জনসংখ্যাৰ হেঁচা, নিয়োগৰ সুযোগ, শিক্ষাৰ সম্প্ৰসাৰণ,
- বিবাহে আদিয়ে দেশত প্ৰব্ৰজনক উৎসাহিত কৰিছে।
- আভ্যন্তৰীণ প্ৰব্ৰজনতকৈ আন্তঃৰাষ্ট্ৰীয় প্ৰব্ৰজনৰ গুৰুত্ব বেছি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বিশেষকৈ চুবুৰীয়া দেশৰ পৰা ভাৰতলৈ অধিক বিদেশী প্ৰব্ৰজনকাৰীৰ প্ৰবাহ ঘটিছে।
- ১৯৪৭ চনত বিভাজনৰ সময়ত আৰু পিছলৈ ১৯৭১ চনত ভাৰত-বাংলাদেশ যুদ্ধৰ সময়ত শেহতীয়া সময়লৈকে প্ৰব্ৰজন বিভিন্ন মাত্ৰাত সংঘটিত হৈ আহিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ২০০১ চনৰ ভাৰতৰ লোকপিয়লৰ তথ্য অনুসৰি চুবুৰীয়া দেশৰ পৰা শেহতীয়া বাসস্থান অনুসৰি প্ৰায় ৫১ লাখ প্ৰব্ৰজনকাৰী ভাৰতলৈ আহিছিল।
- ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰি বাংলাদেশৰ পৰা প্ৰায় ৩০ লাখ, পাকিস্তানৰ পৰা প্ৰায় ০৯ লাখ, নেপালৰ পৰা প্ৰায় ০৫ লাখ আৰু শ্ৰীলংকাৰ পৰা প্ৰায় ০১ লাখ প্ৰব্ৰজনকাৰী ভাৰতলৈ আহিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- মূলতঃ ৰাজনৈতিক, অর্থনৈতিক, সামাজিক আৰু শৈক্ষিক কাৰণত এনে প্ৰব্ৰজন হৈছে।

জনসংখ্যা (নিযুত হিচাবত)	১৯৯১ (জম্মু-কাশ্মীৰক বাদ দি)	২০০১ (জম্মু-কাশ্মীৰক ধৰি)
(১) ভাৰতৰ মুঠ জনসংখ্যা	৮৩৮.৫	১,০২৮.৬
(২) মুঠ প্ৰব্ৰজনকাৰী (জন্মস্থানৰ ভিত্তিত)	২২৯.৮	৩০৭.১
(ক) জিলাৰ ভিতৰত	১৩৬.২	১৮১.৮
(খ) জিলাৰ পৰা জিলালৈ	৫৯.৪	৭৬.৮
(গ) ৰাজ্যৰ পৰা ৰাজ্যলৈ	২৭.৩	৪২.৩
(ঘ) বিদেশৰ পৰা	৬.৯	৬.১

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- প্ৰব্ৰজনৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ আছে।
- প্ৰব্ৰজন, বিশেষকৈ আন্তঃৰাষ্ট্ৰীয় প্ৰব্ৰজন ভাৰতৰ অন্যতম প্ৰধান সমস্যা।
- প্ৰব্ৰজনৰ বাবে দেশৰ সামাজিক, অৰ্থনৈতিক, পৰিৱেশ আৰু ৰাজনৈতিক ক্ষেত্ৰত কেইবাটাও উল্লেখযোগ্য পৰিৱৰ্তন ঘটিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰব্ৰজনৰ কিছুমান গুৰুত্বপূৰ্ণ প্ৰভাৱ হ'ল —

(ক) প্ৰব্ৰজনৰ বাবে সম্প্ৰদায়, ধৰ্ম আৰু ভাষাৰ ভিন্নতা বৃদ্ধি পাইছে আৰু ফলস্বৰূপে বাৰেবৰণীয়া সংস্কৃতি গঢ় লৈ উঠিছে।

(খ) প্ৰব্ৰজনৰ বাবে অৰ্থনৈতিক খণ্ডৰ পৰিৱৰ্তন হৈছে আৰু বেপাৰ-বাণিজ্যৰ সম্প্ৰসাৰণ ঘটিছে।

(গ) প্ৰব্ৰজনে দেশৰ বিভিন্ন অঞ্চলৰ জনগাঁথনি সলনি কৰি পেলাইছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- প্ৰব্ৰজনৰ বাবে জনসংখ্যা বৃদ্ধি, ঘনত্ব আৰু সাক্ষৰতাৰ হাৰ সলনি হৈ আছে।
- দেশৰ একাংশ অঞ্চলত খিলঞ্জীয়াৰ সংখ্যাতকৈ প্ৰব্ৰজনকাৰীৰ সংখ্যা বেছি হৈছে।
- ফলত ভাষা, ধৰ্ম, সংস্কৃতি আৰু অৰ্থনীতিৰ লগত জড়িত কিছুমান সমস্যাৰ সৃষ্টি হৈছে।

(ঘ) প্ৰব্ৰজনে ভাৰতৰ জনসংখ্যা বৃদ্ধিত প্ৰত্যক্ষভাৱে অৰিহণা যোগায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- প্ৰব্ৰজনৰ বাবে কেইবাটাও সমস্যাৰ সৃষ্টি হৈছে।
- ভূমিৰ ওপৰত জনসংখ্যাৰ হেঁচা বাঢ়িছে আৰু বনাঞ্চল আৰু জলাশয়ৰ পৰিৱেশ তন্ত্ৰ প্ৰভাৱিত বিঘ্নিত ঘটিছে।
- তদুপৰি কৰ্মসংস্থাপনৰ সমস্যাৰ উপৰি স্বাস্থ্য আৰু শিক্ষা খণ্ডতো সমস্যাৰ সৃষ্টি হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(ঙ) প্ৰব্ৰজনৰ বাবে কেতিয়াবা কিছুমান গুৰুতৰ ধৰ্মীয়, সামাজিক আৰু ৰাজনৈতিক সমস্যাৰ সৃষ্টি হ'ব পাৰে।

(চ) প্ৰব্ৰজনকাৰীসকলে কেতিয়াবা নতুন ঠাইৰ লগতে নতুন সমাজৰ লগত খাপ খুৱাব নোৱাৰাৰ বাবে মানসিক চাপত ভুগিবলগীয়া হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(ছ) সাধাৰণতে প্ৰব্ৰজনৰ বাবে বিশেষকৈ চহৰ অঞ্চলত বস্তিবোৰ বৃদ্ধি পায়। অস্বাস্থ্যকৰ অৱস্থাৰ বস্তি অঞ্চলে নগৰীয়া পৰিৱেশ প্ৰদূষণৰ সৃষ্টি কৰে।

(জ) প্ৰব্ৰজনৰ বাবে দেশৰ বা ৰাজ্যসমূহৰ ৰাজনৈতিক পৰিস্থিতি পৰিৱৰ্তনৰ পথত।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। ভাৰতৰ কোনখন ৰাজ্যত আটাইতকৈ জনবহুল ?

(ক) উত্তৰ প্রদেশ

(খ) অন্ধ্র প্রদেশ

(গ) হিমাচল প্রদেশ

Under CSR Support by ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





২। সাধাৰণতে সম্পদ..... অঞ্চলৰ পৰা সম্পদ..... অঞ্চললৈ প্ৰব্ৰজন ঘটে।